# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 16-03-2026 **Time :** 1100 Hrs.

0000000000

বিধানসভা নিৰ্বাচনৰ দিন ঘোষণাৰ লগে লগেই বিভিন্ন দলৰ নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। ৰাজনৈতিক দলসমূহে নিজ নিজ প্ৰাৰ্থী তালিকা প্ৰকাশ তথা চূড়ান্ত কৰাত ব্যস্ত হৈ পৰিছে। আম আদমী পাৰ্টীয়ে কালি ১৪টা সমষ্টিৰ বাবে প্ৰথম আৰু চূড়ান্ত প্ৰাৰ্থী তালিকা ঘোষণা কৰে। বিজেপিয়ে ১৮ মাৰ্চত বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰাৰ কথা। ইউ পি পি এলৰ প্ৰাৰ্থী তালিকা আজি প্ৰকাশ পাব। এ আই ইউ ডি এফেও আজি দ্বিতীয়খন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰাৰ সম্ভাৱনা আছে। নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত যাৱতীয় কাম-কাজ পৰিচালনাৰ বাবে অসম জাতীয় পৰিষদে ১২ জনীয়া নিৰ্বাচন পৰিচালনা সমিতি গঠন কৰিছে।

ইপিনে, বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিভিন্নজনৰ অন্যান্য দলত যোগদান তথা দল ত্যাগ অব্যাহত আছে। ইউ পি পি এল দলৰ উপ-সভাপতি তথা প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্মই কালি ইউ পি পি এলৰ দলৰ প্ৰাথমিক সদস্যপদ ত্যাগ কৰে। কংগ্ৰেছৰ দ্বিতীয়খন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰাৰ পাছতে দলটোৰ বহু প্ৰাৰ্থিত্ব প্ৰত্যাশী তথা নেতা-কৰ্মীয়ে ক্ষোভ আৰু অসন্তুষ্টি প্ৰকাশ কৰিছে। কংগ্ৰেছ নেতা কুশল শৰ্মা, প্ৰাণেশ্বৰ বসুমতাৰীকে ধৰি কেইবাগৰাকীও নেতাই দলৰ বিষয়বাবৰ লগতে প্ৰাথমিক সদস্য পদ ত্যাগ কৰিছে। আনহাতে, কংগ্ৰেছৰ দ্বিতীয়খন প্ৰাৰ্থী তালিকাত লাহৰিঘাট সমষ্টিৰ প্ৰাৰ্থী হিচাপে নাম অন্তৰ্ভুক্ত হোৱা ডঃ আছিফ নাজৰৰ প্ৰাৰ্থীত্বৰ বিৰোধিতাৰে নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সম্পাদক তথা প্ৰদেশ কংগ্ৰেছৰ তত্বাৱধায়ক জিতেন্দ্ৰ সিঙলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰখনতে সাংসদগৰাকীয়ে প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ ভূমিকাক লৈও অসন্তুষ্টি প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিৰ বাবে অহা ৯ এপ্ৰিলত এটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰাৰ্থীসকলে অহা ২৩ মাৰ্চ পৰ্যন্ত মনোনয়ন দাখিল কৰিব পাৰিব আৰু ২৬ মাৰ্চ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। ২৮ মাৰ্চত মনোনয়নপত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ৪ মে'ত নিৰ্বাচনী ফলাফল ঘোষণা কৰা হ'ব।

0000000

আসন্ন বিধানসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতেই কোকৰাঝাৰৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া পংকজ চক্ৰৱৰ্তীয়ে আজি সকলো বিভাগৰ মুৰব্বী তথা খণ্ড উন্নয়ন বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। জিলা আয়ুক্তগৰাকীয়ে স্বচ্ছ আৰু নিকা নিৰ্বাচন সুনিশ্চিত কৰাৰ বাবে জিলাখনত তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ নিৰ্বাচনী আচৰণবিধি কঠোৰভাৱে মানি চলিবলৈ সকলো বিষয়াক নিৰ্দেশ দিয়ে।

জিলাখনত সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত মনোনয়ন পত্ৰ সংগ্ৰহ কেন্দ্ৰৰ প্ৰস্তুতিৰ পৰ্যালোচনাৰ বাবে জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আন এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত কোকৰাঝাৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টিৰ ৰিটাৰ্নিং বিষয়া আৰু সহযোগী ৰিটাৰ্নিং বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

লছ এঞ্জেল্ছৰ ডলবি থিয়েটাৰত কিছুসময় পূৰ্বে ৯৮ সংখ্যক একাডেমী বঁটা প্ৰদান অনুষ্ঠানৰ সামৰণি পৰিছে। প্ৰখ্যাত কমেডিয়ান কেনন অ' ব্ৰায়ানে আঁত ধৰা অনুষ্ঠানত প্ৰিয়ংকা চোপ্ৰা, ৰবাৰ্ট ডাউনি জুনিয়ৰ, ক্ৰীছ ইভানছ্, এন হেথৱে আৰু জেভিয়াৰ বাৰ্ডমেনকে ধৰি কেইবাগৰাকী জনপ্ৰিয় অভিনেতা-অভিনেত্ৰীয়ে বঁটা প্ৰদান কৰে। এইবাৰৰ একাডেমী বঁটাত ১৩ টা শিতানত মনোনয়ন লাভ কৰা লিঅ'নাৰ্ডো দি কেপ্ৰিঅ' অভিনিত **ৱান বেটেল আফটাৰ আনাডাৰ** ছবিখনে শ্ৰেষ্ঠ ছবিৰ বঁটাকে ধৰি মুঠ সাতটা বঁটা লাভ কৰে। এই ছবিখনৰ বাবে থমাছ এণ্ডাৰ্ছনে শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰে। **চিনাৰ্ছ** ছবিখনত কৰা অভিনয়ৰ বাবে মাইকেল বি জৰ্ডানক শ্ৰেষ্ঠ অভিনেতা আৰু **হেমনেট** ছবিত কৰা অভিনয়ৰ বাবে জেচ্ছি বাকলেক শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা প্ৰদান কৰা হয়।

০০০০০০০

২০২৭ বৰ্ষৰ পদ্ম বঁটাসমূহৰ বাবে চৰকাৰে মনোনয়ন আৰু পৰামৰ্শৰ বাবে আহ্বান জনাইছে। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত কয় যে অহা বছৰৰ গণৰাজ্য দিৱসৰ দিনা পদ্ম বঁটাসমূহ ঘোষণা কৰা হ'ব। অহা ৩১ জুলাই পদ্ম বঁটাৰ বাবে মনোনয়নৰ অন্তিম দিন। এই বঁটাৰ বাবে মনোনয়ন আৰু পৰামৰ্শ কেৱল ৰাষ্ট্ৰীয় পুৰস্কাৰ পোৰ্টেলৰ যোগেদিহে গ্ৰহণ কৰা হ'ব বুলি বিবৃতিটোত কোৱা হৈছে। লিংগ, জাতি, ধৰ্ম নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকে এই বঁটাৰ বাবে মনোনয়ন দাখিল কৰিব পাৰিব। অৱশ্যে চিকিৎসক আৰু বিজ্ঞানীৰ বাহিৰে, ৰাজহুৱা খণ্ডৰ অধীনৰ কৰ্মচাৰীকে ধৰি চৰকাৰী কৰ্মচাৰীসকলে এই বঁটাৰ বাবে মনোনয়ন দাখিল কৰিব নোৱাৰিব। উল্লেখযোগ্য যে পদ্ম বিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী হৈছে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মানসমূহৰ অন্যতম। কলা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, চিকিৎসা, সমাজ সেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, ৰাজহুৱা পৰিক্ৰমা, অসামৰিক সেৱা তথা বাণিজ্য আৰু উদ্যোগকে ধৰি বিভিন্ন খণ্ডত উল্লেখনীয় সেৱা আগবঢ়োৱা লোকসকলক তেওঁলোকৰ কামৰ স্বীকৃতিস্বৰূপে এই বঁটা প্ৰদান কৰা হয়।

০০০০০০

তামুলপুৰ জিলাত যোৱা কেইবাদিনো ধৰি হোৱা বৰষুণৰ ফলত বিভিন্ন ঠাইত বিস্তৰ ক্ষয়ক্ষতিৰ বাতৰি পোৱা গৈছে। আমাৰ তামুলপুৰৰ সংবাদদাতাই জনোৱা মতে যোৱা নিশা বৰষুণৰ মাজতে বজ্ৰ পৰি বৰখোপা গাঁৱৰ এটা বাসগৃহৰ যথেষ্ট ক্ষতি হয়। অৱশ্যে পৰিয়ালটোৰ সদস্যসকল কথমপি এই ঘটনাৰ পৰা ৰক্ষা পৰে।

০০০০০০

**সমাপ্ত**